NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 05-04-2026
**Time :** 1910 HRS.

*Assamese Evening Bulletin*

# HEADLINES

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে কেৰালাম, তামিলনাডু, কৰ্ণাটক, অন্ধ্ৰ প্ৰদেশ, গোৱা বা তেলেংগানাত লোকসভা আসনৰ সংখ্যা হ্ৰাস নহয়।

২। কেন্দ্ৰীয় চৰকাৰে দেশৰ সকলো ঠাইতে পেট্ৰল, ডিজেল আৰু ৰন্ধন গেছৰ পৰ্যাপ্ত উপলভ্যতা সুনিশ্চিত কৰাৰ বাবে চেষ্টা চলাই আছে।

৩। বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণি পৰিবলৈ দুদিন বাকী থকা অৱস্থাত শাসক-বিৰোধী উভয় পক্ষৰ প্ৰচাৰে ব্যাপক ৰূপ লৈছে।

৪। ইৰানৰ ড্ৰোণে পাৰচ্য উপ-মহাসাগৰীয় অঞ্চলত ভালেমান আন্তঃগাঁথনিক লক্ষ্য কৰি আক্ৰমণ কৰাত পশ্চিম এছিয়াৰ সংঘাত তীব্ৰতৰ হৈ উঠিছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হায়দৰাবাদত অনুষ্ঠিত এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে ছান ৰাইজাৰ্ছ হায়দৰাবাদক পাঁচ উইকেটত পৰাস্ত কৰে।

000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে কেৰালাম, তামিলনাডু, কৰ্ণাটক, অন্ধ্ৰ প্ৰদেশ, গোৱা বা তেলেংগানাত লোকসভা আসনৰ সংখ্যা হ্ৰাস নহয়। কেৰালামৰ থিৰুৱাল্লাত কালি এখন নিৰ্বাচনী সভাত ভাষণ দি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে জনসংখ্যা নিয়ন্ত্ৰণত সফলতা লাভ কৰাৰ বাবে দক্ষিণৰ ৰাজ্যসমূহত আসনৰ সংখ্যা হ্ৰাস হ'ব পাৰে বুলি এটা অপপ্ৰচাৰ চলোৱা হৈছে। তেওঁ লগতে কয় যে ৰাজ্যসমূহৰ প্ৰতিনিধিত্ব সুৰক্ষিত কৰিবলৈ চৰকাৰে আইনী নিশ্চয়তা প্ৰদান কৰিব। ভাষণ প্ৰসঙ্গত প্ৰধানমন্ত্ৰীগৰাকীয়ে লোকসভা আৰু বিধানসভাত ৩৩ শতাংশ আসন মহিলাৰ বাবে সংৰক্ষণৰ বিষয়টোত সকলো ৰাজনৈতিক দলকে সমৰ্থন কৰিবলৈ আহ্বান জনায়। প্ৰায় চাৰিটা দশক ধৰি স্থবিৰ হৈ থকা মহিলা সংৰক্ষণৰ বিষয়টোত বিৰোধী দলসমূহৰ পৰা প্ৰতিশ্ৰুতি আদায় কৰিবলৈও তেওঁ সাধাৰণ জনতাক আহ্বান জনায়। তেওঁ কয় যে এই বিষয়টো মহিলা সবলীকৰণৰ সৈতে জড়িত আৰু ৰাজনৈতিক দলসমূহে নিঃচৰ্তভাৱে বিষয়টোত সমৰ্থন জনোৱা উচিত। ২০২৩ চনত গৃহীত হোৱা মহিলা সংৰক্ষণ আইন ৰূপায়ণৰ বাবে সংসদৰ বাজেট অধিবেশন এই মাহৰ এই মাহৰ ১৬, ১৭ আৰু ১৮ তাৰিখলৈকে বৃদ্ধি কৰা হৈছে। ২০২৯ চনৰ পৰা মহিলা সংৰক্ষণৰ কাৰ্যকৰী কৰা হ'ব বুলিও শ্ৰীমোদীয়ে ভাষণ প্ৰসঙ্গত উল্লেখ কৰে।

000000

কেন্দ্ৰীয় চৰকাৰে দেশৰ সকলো ঠাইতে পেট্ৰল, ডিজেল আৰু ৰন্ধন গেছৰ পৰ্যাপ্ত উপলভ্যতা সুনিশ্চিত কৰাৰ বাবে চৰকাৰে সৰ্বতোপ্ৰকাৰে চেষ্টা চলাই আছে। চৰকাৰে দেশৰ জনসাধাৰণক অনলাইনযোগে ঘৰুৱা ৰন্ধন গেছ বুকিং কৰিবলৈ আৰু আৱশ্যক নহ'লে ৰন্ধন গেছৰ বিতৰণ প্ৰতিষ্ঠানলৈ নাযাবলৈ আহ্বান জনাইছে। পেট্ৰলিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ে চলিত বৰ্ষৰ ফেব্ৰুৱাৰীৰ পৰা কালিলৈকে অনলাইনযোগে বুকিং কৰা ৫৩ শতাংশৰো অধিক ৰন্ধন গেছ বিতৰণ কৰিছে।

ৰন্ধন গেছ বিতৰকসকলৰ ওচৰত ৫ কিলোগ্ৰাম ওজনৰ চিলিণ্ডাৰ উপলব্ধ কৰোৱা হৈছে আৰু বৈধ পৰিচয়পত্ৰ দেখুৱাই এনে চিলিণ্ডাৰ ক্ৰয় কৰিব পৰা যাব বুলি মন্ত্ৰালয়ে ইতিমধ্যে প্ৰকাশ কৰিছে। কালি দেশৰ বিভিন্ন প্ৰান্তত ৫ কিলোগ্ৰাম ওজনৰ প্ৰায় ৯০ হাজাৰ চিলিণ্ডাৰ বিক্ৰী হৈছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে ৰন্ধন গেছৰ চিলিণ্ডাৰ বিক্ৰী ৯৫ শতাংশলৈ বৃদ্ধি পাইছে আৰু কালি প্ৰায় ৫১ লাখ চিলিণ্ডাৰ প্ৰদান কৰা হৈছে। মন্ত্ৰালয়ে লগতে জনসাধাৰণক পি এন জি,

ইনডাকচন, আৰু ইলেকট্ৰিক কুক টপছৰ দৰে বিকল্প ইন্ধন ব্যৱহাৰ কৰিবলৈ উদগণি দিছে। চৰকাৰে জানিবলৈ দিছে যে চলিত বৰ্ষৰ মাৰ্চলৈকে পাইপযোগে যোগান ধৰা প্ৰাকৃতিক গেছ প্ৰায় ৩ লাখ ৬০ হাজাৰ সংযোগ দিয়া হৈছে। ৩ লাখ ৯০ হাজাৰৰো অধিক উপভোক্তাই এই সংযোগ লাভ কৰাৰ বাবে পঞ্জীয়ন কৰিছে।

বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰালয়ে সামুদ্ৰিক বাণিজ্যৰ ধাৰাবাহিকতা সুনিশ্চিত কৰাৰ লগতে জাহাজৰ চলাচল, বন্দৰ পৰিচালনা আৰু ভাৰতীয় নাবিকসকলৰ নিৰাপত্তাৰ বিষয়সমূহ অহৰহ নিৰীক্ষণ কৰি আছে। বিগত ২৪ ঘণ্টাত ভাৰতীয় জাহাজত কোনো ধৰণৰ কূটাঘাতৰ তথ্য লাভ কৰা নাই। দেশত জাহাজৰ চলাচল স্বাভাৱিকভাৱে অব্যাহত আছে। মন্ত্ৰালয়ে জানিবলৈ দিছে যে উপ-মহাসাগৰীয় দেশৰ পৰা এতিয়ালৈকে এহেজাৰ ৪৭৯গৰাকী ভাৰতীয়ক সুকলমে উদ্ধাৰ কৰা হৈছে। পশ্চিম এছিয়াত উদ্ভৱ হোৱা যুদ্ধসদৃশ পৰিস্থিতিৰ বাবে ইৰাণত আবদ্ধ হৈ পৰা ৩৪৫গৰাকী ভাৰতীয় মাছমৰীয়া কালি সুকলমে স্বদেশলৈ ঘূৰি আহে। মন্ত্ৰালয়ে জানিবলৈ দিছে যে পশ্চিম এছিয়াত উদ্ভৱ হোৱা পৰিস্থিতি সামান্য উন্নত হোৱাৰ ফলত বিমানৰ চলাচল স্বাভাৱিক হৈ উঠাত ২৮ ফেব্ৰুৱাৰীৰ পৰা এতিয়ালৈকে প্ৰায় ৭ লাখ দুহেজাৰ ভাৰতীয় লোক অঞ্চলটোৰ পৰা দেশলৈ প্ৰত্যাৱৰ্তন কৰিছে।

০০০০০০

বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণি পৰিবলৈ দুদিন বাকী থকা অৱস্থাত শাসক-বিৰোধী উভয় পক্ষৰ প্ৰচাৰে ব্যাপক ৰূপ লৈছে।

কংগ্ৰেছৰ নেতা তথা লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধী  নিৰ্বাচনী প্ৰচাৰৰ উদ্দেশ্যে আজি পুনৰ অসমলৈ আহিছে। শ্ৰীগান্ধীয়ে  গোলাঘাট, বিশ্বনাথ আৰু কমলপুৰত নিৰ্বাচনী সভাত অংশ লৈ দলীয়া প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। তেওঁ বিশ্বনাথৰ চি টি চি খেলপথাৰত আয়োজিত জনসমাবেশত অংশ লৈ বিজেপিৰ তীব্ৰ সমালোচনা কৰে।

জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি বোকাখাটত এন ডি এ মিত্ৰজোঁটৰ প্ৰাৰ্থী তথা মন্ত্ৰী অতুল বৰাৰ হৈ প্ৰচাৰ চলায়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে বিগত সময়ছোৱাত অতুল বৰাৰ মন্ত্ৰিত্বকালত অসমৰ কৃষি খণ্ডৰ আমূল পৰিৱৰ্তন হোৱা বুলি উল্লেখ কৰে।

০০০০০০

ৰাষ্ট্ৰীয় সামুদ্ৰিক দিৱস উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দেশৰ সমৃদ্ধ সামুদ্ৰিক ঐতিহ্যক স্মৰণ কৰাৰ লগতে এই খণ্ডৰ সৈতে জড়িত ব্যক্তিসকলৰ অমূল্য অৱদানৰ শলাগ লয়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে সামুদ্ৰিক খণ্ডৰ সৈতে জড়িত প্ৰতিগৰাকী লোকৰ নিষ্ঠা আৰু একাগ্ৰতাই দেশৰ অৰ্থনীতি বাণিজ্য আৰু যোগাযোগ ব্যৱস্থা অধিকৈ শক্তিশালী কৰি তুলিছে। বাৰ্তাটোত তেওঁ উল্লেখ কৰে যে বৰ্তমান ভাৰতৰ সামুদ্ৰিক খণ্ড নতুন গতি আৰু শক্তিৰে আগুৱাই গৈছে। তেওঁ লগতে কয় যে চৰকাৰে একবিংশ শতিকাৰ প্ৰয়োজনৰ সৈতে সংগতি ৰাখি আধুনিক তথা ভৱিষ্যৎমুখী জাহাজ আইন প্ৰণয়ন কৰিছে। এই নতুন আইনসমূহে ৰাজ্যিক সাগৰীয় বোৰ্ডসমূহক সবলীকৰণ কৰাৰ লগতে বন্দৰ ব্যৱস্থাপনাক ডিজিটেল কৰাত সহায় কৰিব। এখন সমৃদ্ধিশালী ভাৰত গঢ়াৰ লক্ষ্যৰে দেশখনে সামুদ্ৰিক খণ্ডৰ অপৰিসীম সম্ভাৱনাক আগলৈও ব্যৱহাৰ কৰি যাব বুলি বাৰ্তাটোত তেওঁ উল্লেখ কৰে।

০০০০০০

ইৰানৰ ড্ৰোণে পাৰচ্য উপ-মহাসাগৰীয় অঞ্চলত ভালেমান আন্তঃগাঁথনিক লক্ষ্য কৰি আক্ৰমণ কৰাত পশ্চিম এছিয়াৰ সংঘাত তীব্ৰতৰ হৈ উঠিছে। বাহৰেইনৰ পেট্ৰ'কেমিকেল উদ্যোগত আজি ইৰানে ড্ৰোণেৰে আক্ৰমণ কৰাত উদ্যোগটোৰ ভালেমান কাৰ্যক্ষম গোটত অগ্নিকাণ্ড হয়। আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইজৰাইলে ইৰানৰ মাছাহৰত বৃহৎ পেট্ৰ'কেমিকেল চৌহদত কৰা আক্ৰমণৰ প্ৰত্যুত্তৰত এই কূটাঘাত সংঘটিত কৰে। স্থানীয় সংবাদ প্ৰতিষ্ঠানৰ সূত্ৰ অনুসৰি ইয়াৰ ফলত কোনো হতাহত হোৱাৰ বাতৰি অহা নাই আৰু কৰ্তৃপক্ষসমূহে ক্ষয়-ক্ষতিৰ সবিশেষ বুজ লৈ আছে। ইৰানৰ ড্ৰোণৰ আক্ৰমণৰ ফলত কুৱেইটৰ দুটা শক্তি উৎপাদন গোট বন্ধ হৈ পৰে। ড্ৰোণৰ আক্ৰমণত কুৱেইটৰ লুনীয়া পানী সংশোধন কৰাৰ প্ৰকল্পও ক্ষতিগ্ৰস্ত হয়। দেশখনৰ বিদ্যুৎ, জল  আৰু নবীকৰণযোগ্য শক্তি মন্ত্ৰালয়ৰ সূত্ৰ অনুসৰি বিদ্যুৎ যোগান আৰু পানী যোগান অব্যাহত ৰখাৰ বাবে জৰুৰীকালীন দল নিয়োগ কৰা হৈছে। সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰতো ইৰানৰ ড্ৰোণে ধাৰাবাহিকভাৱে আক্ৰমণ চলাই আছে। ইতিমধ্যে ইজৰাইলৰ বায়ু সেনাবাহিনীয়ে বিগত ২৪ ঘণ্টাত ইৰাণৰ ১২০টাৰো অধিক স্থানত আঘাত

হানিছে। ইজৰাইলৰ সেনাবাহিনীয়ে জানিবলৈ দিছে যে ২৮ ফেব্ৰুৱাৰীৰ পৰা লেবাননৰ দক্ষিণ প্ৰান্তত ৯০গৰাকীৰো অধিক লোকৰ প্ৰাণহানি হৈছে। বিগত ২৪ ঘণ্টাত হিজবুল্লাৰ দুটা সন্ত্ৰাসবাদীও নিহত হৈছে।

০০০০০০

আমেৰিকাৰ মহাকাশ সংস্থা নাছাই আৰ্টেমিছ-টু অভিযানৰ মহাকাশচাৰীসকলে তোলা এখন বিৰল আলোকচিত্ৰ সামাজিক মাধ্যমত মুকলি কৰিছে। এই ছবিখনত চন্দ্ৰপৃষ্ঠৰ সোঁকাষৰ অৰিয়েণ্টেল বেছিনৰ সম্পূৰ্ণ দৃশ্য স্পষ্টকৈ ধৰা পৰিছে। উল্লেখযোগ্য যে চন্দ্ৰপৃষ্ঠৰ এই দৃশ্য ইয়াৰ পূৰ্বে দেখা পোৱা নগৈছিল। নাছাই প্ৰেৰণ কৰা অৰিয়ন মহাকাশযানখনত তিনিগৰাকী আমেৰিকাৰ আৰু এগৰাকী কানাডাৰ মহাকাশচাৰী চন্দ্ৰলৈ বুলি ৰাওনা হৈছে। কাইলৈ তেওঁলোক নিৰ্ধাৰিত লক্ষ্যত উপনীত হোৱাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে ১৯৭২ চনৰ এপ্ৰ'ল অভিযানৰ পাছত চন্দ্ৰলৈ যোৱা এওঁলোকেই প্ৰথমটো মানৱ দল। আৰ্টেমিছ-টুৰ মূল লক্ষ্য হৈছে ইতিপূৰ্বে চন্দ্ৰপৃষ্ঠৰ কেতিয়াও দেখা নোপোৱা অংশটোৰ আলোকচিত্ৰ সংগ্ৰহ কৰা। এই অভিযানে মানৱ মহাকাশ ভ্ৰমণৰ ইতিহাসত এক নতুন যুগৰ সৃষ্টি কৰিব বুলি আশা কৰা হৈছে। অভিযানৰ সময়ছোৱাত মহাকাশচাৰীসকলে পৃথিৱীৰ পৰা ৪ লাখ কিলোমিটাৰতকৈও অধিক দূৰত্বত থাকি চন্দ্ৰক প্ৰদক্ষিণ কৰিব।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হায়দৰাবাদত অনুষ্ঠিত এখন খেলত  লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে ছান ৰাইজাৰ্ছ হায়দৰাবাদক পাঁচ উইকেটত পৰাস্ত কৰে। দলৰ হৈ ঋষভ পণ্টে সৰ্বাধিক ৬৮ ৰাণ কৰে। হায়দৰাবাদে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেটৰ বিনিময়ত ১৫৬ ৰান সংগ্ৰহ কৰে।

প্ৰতিযোগিতাত আজি সন্ধিয়া চাৰে ৭ বজাৰ পৰা বেংগালুৰুৰ এম ছিন্নস্বামী ষ্টেডিয়ামত হ'বলগীয়া আন এখন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰু চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখনত চেন্নাই ছুপাৰ কিংছে টছত জিকি বলিং কৰাৰ সিদ্ধান্ত লৈছে।

০০০০০০

**সমাপ্ত**